**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ । বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি শিলচৰত প্ৰচাৰ সভাত অংশগ্ৰহণ। বিৰোধী দলৰ জ্যেষ্ঠ নেতাসকলৰ ৰাজ্যৰ বিভিন্ন স্থানত প্ৰচাৰ অভিযান।

২। ৰাজ্যত তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৬০ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল। কাইলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য।

৩। মহাবীৰ জয়ন্তী উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্মাৰক ডাক টিকট আৰু মুদ্ৰা উন্মোচন। *আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইটৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ আৰু আনখন খেলত পাঞ্জাৱ কিংছ গুজৰাট টাইটানছৰ মুখামুখি

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা অব্যাহত ৰাখিছে। দ্বিতীয় পৰ্যায়ত ৰাজ্যখনত ৫ টা সমষ্টি- দৰং-ওদালগুৰি, কৰিমগঞ্জ, ডিফু, শিলচৰ আৰু নগাওঁ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত সমষ্টিসমূহৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শিলচৰত এন ডি এৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছ দলেও সমষ্টিকেইটাত প্ৰচাৰ অব্যাহত ৰাখিছে।

ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বোকাজান, হাওৰাঘাট আৰু পশ্চিম কাৰ্বি আংলৰ দংকামকামত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি এন ডি এৰ মনোনীত প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ কৰিমগঞ্জ, বৰখলা, ধলাই আৰু হাইলাকান্দিকে ধৰি বৰাক উপত্যকাৰ বিভিন্ন ঠাইত কেইবাখনো নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

আনহাতে, মন্ত্ৰী পীযুষ হাজৰিকাই আজি লাহৰীঘাটৰ কচুতলীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰী হাজৰিকাই কালি ধিঙৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত দলীয় প্ৰাৰ্থীৰ হৈ চাৰিখন প্ৰচাৰ সভাত অংশ লয়।

দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াই কালি তামুলপুৰ বিধানসভাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি গুৱাহাটীৰ কেইবাঠাইতো দলীয় প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। তাৰ পাছত তেওঁ নগাঁৰৰ লাহৰীঘাটত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। শ্ৰী বৰাই আজি নগাঁও জিলাৰ ডুমডুমীয়া, লাউগাঁও আদি কেইবাঠাইতো ৰাজহুৱা সভাত ভাষণ দিব।

নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে দলৰ সৰ্বভাৰতীয় নেতা নাদিম জাভেদক লগত লৈ ৰহাৰ কচুৱাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইপিনে, এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে দলৰ প্ৰাৰ্থী আমিনুল ইছলামৰ সৈতে কচুৱা তিনিআলিত এখন প্ৰচাৰ সভাত অংশ লয়।

০০০০০০০

অহা ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে দেশৰ ৮৭ টা সংসদীয় সমষ্টিত এহেজাৰ ১৯৮ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। দ্বিতীয় পৰ্যায়ত অসমত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কৰিমগঞ্জত ২৪, নগাওঁত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই পৰ্যায়ত ৰাজ্যখনৰ দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোটৰ পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধাশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুত বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিছে। অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোটৰ হৈ অমৰ সিং টিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিছে।

উল্লেখযোগ্য যে সমগ্ৰ দেশত দ্বিতীয় পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হবলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত সামগ্ৰিকভাৱে ৮ দশমিক ৬ শতাংশ মহিলা প্ৰাৰ্থী আছে। এই পৰ্যায়ত অসম আৰু ত্ৰিপুৰাত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবইছে বুলি জানিব পৰা গৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ ভিতৰত মহিলা প্ৰাৰ্থী ৮ দশমিক ২ শতাংশ আছিল। দ্বিতীয় পৰ্যায়ত কেৰালাত সৰ্বাধিক ২৫ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, কৰ্ণাটকত ২১ গৰাকী আৰু উত্তৰ প্ৰদেশত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০০

ৰাজ্যৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৬০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। কাইলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। কালি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত গুৱাহাটী সমষ্টিৰ দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল কৰা হয়। সমষ্টিটোৰ বাবে মুঠ ১০ গৰাকী প্ৰাাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। এই সমষ্টিটোত বিজেপিৰ বিজুলী কলিতা মেধি আৰু কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

ইপিনে, কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী নৰ শৰণীয়াৰ প্ৰাৰ্থীত্বক লৈ বিৰোধী পক্ষই দাখিল কৰা তথ্য সংক্ৰান্তত আজি নিৰ্বাচন আয়োগে এটা নিৰ্দেশ জাৰি কৰাৰ কথা। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰাৰ্থীগৰাকীয়ে অনুসূচীত জনজাতি অন্তৰ্ভুক্ত নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিয়ে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন খাৰিজ কৰিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষসমূহৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী আয়োজন কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাসমূহত এই সম্পৰ্কীয় প্ৰস্তুতি অব্যাহত ৰখা হৈছে। এই সংক্ৰান্তত ঠায়ে ঠায়ে ভোটাৰ সজাগতাৰ লক্ষ্যৰে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০০০

নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ দিনা আৰু ইয়াৰ এদিন পূৰ্বে ৰাজ্যিক বা জিলা পৰ্যায়ৰ মিডিয়া চাৰ্টিফিকেশ্বন এণ্ড ম'নিটৰিং কমিটীৰ আগতীয়া অনুমতি অবিহনে ৰাজনৈতিক দল, প্ৰাৰ্থী, সংগঠন বা কোনো ব্যক্তিৰ দ্বাৰা ছপা মাধ্যমত বিজ্ঞাপন প্ৰকাশত বাধা আৰোপ কৰিছে। ভোটগ্ৰহণৰ ঠিক আগমুহূৰ্তত প্ৰকাশ পোৱা বিভ্ৰান্তিকৰ অথবা আপত্তিজনক বিজ্ঞাপনে ক্ষতিগ্ৰস্ত কৰা পক্ষই আত্মপক্ষ সমৰ্থনৰ কাৰণে কোনো সময় বা সুযোগ নোপোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে এই স্থিতি গ্ৰহণ কৰিছে। সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত প্ৰদত্ত ক্ষমতাৰ প্ৰয়োগেৰে এনে যিকোনো প্ৰকাৰৰ আপত্তিজনক বিজ্ঞাপন প্ৰকাশৰ ঘটনা প্ৰতিৰোধ কৰাৰ বাবে আয়োগে এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০০০

আজি মহাবীৰ জয়ন্তী। জৈন ধৰ্মৰ ২৪ সংখ্যক তীৰ্থাংকৰ ভগৱান মহাবীৰ জৈনৰ জয়ন্তী হিচাপে এই উৎসৱ পালন কৰা হয়। ভগৱান মহাবীৰে অহিংসা, সত্য, ব্ৰহ্মচৰ্য্য, অস্তেয়, সংযমৰ লেখীয়া জৈন আদৰ্শৰাজিৰ মাধ্যমেৰে শান্তিপূৰ্ণ সহাৱস্থান আৰু বিশ্ব ভাতৃত্ববোধৰ  পথ দেখুৱাই থৈ গৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহাবীৰ জয়ন্তী উপলক্ষে দেশৰ  জনসাধাৰণ বিশেষকৈ জৈন ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কৈছে যে, অহিংসা আৰু কৰুণাৰ প্ৰতীক স্বৰূপ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি পালন কৰা এই উৎসৱে আমাক মৰম-ভালপোৱা আৰু শান্তিৰ বাৰ্তা দিয়ে। তেওঁ কয় যে, ভগৱান মহাবীৰে এখন আদৰ্শ আৰু সভ্য সমাজ গঢ়াৰ বাবে অহিংসা, ব্ৰহ্মচৰ্য্য, সত্য আৰু ত্যাগৰ পথ দেখুৱাই থৈ গৈছে আৰু তেওঁৰ শিকনিসমূহ মানৱ জাতিৰ কল্যাণৰ বাবে সদায় প্ৰাসংগিক হৈ থাকিব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মহাবীৰ জয়ন্তী উপলক্ষে সকলোকে মৰম-ভালপোৱা আৰু সম্প্ৰীতি বিয়পোৱাৰ বাবে অংগীকাৰবদ্ধ হ'বলৈ আৰু ৰাষ্ট্ৰৰ বিকাশৰ হকে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাবীৰ জয়ন্তীৰ পবিত্ৰ ক্ষণত আজি পুৱা নতুন দিল্লীৰ ভাৰত মণ্ডপমত ২ হাজাৰ ৫৫০ সংখ্যক ভগৱান মহাবীৰ নিৰ্বাণ মহোৎসৱ মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে  এটা সমাৱেশক সম্বোধন কৰিব।

০০০০০০০

গ্ৰীষ্মকালীন বন্ধৰ পৰিপ্ৰেক্ষিতত যাত্ৰীসকলৰ বৰ্ধিত চাহিদা পূৰণ কৰাৰ অৰ্থে উত্তৰ-পূব সীমান্ত ৰে'লৱেই গুৱাহাটীৰ পৰা দুখন বিশেষ গ্ৰীষ্মকালীন ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। ৰে'ল দুখনৰ এখন গুৱাহাটী আৰু ওড়িশাৰ সম্বলপুৰৰ মাজত চলাচল কৰাৰ বিপৰীতে আনখন গুৱাহাটী আৰু জম্মুৰ বৈষ্ণোদেৱী কাটৰাৰ মাজত চলাচল কৰিব। উভয় দিশত দুয়োখন বিশেষ ৰে'লৰ দহোটাকৈ যাত্ৰা সেৱা পৰিচালনা কৰা হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱে কৰ্তৃপক্ষই জানিবলৈ দিছে। সম্বলপুৰ আৰু গুৱাহাটীৰ মাজত চলিবলগীয়া ৰে'লখনে কাইলৈৰ পৰা ২৪ জুনলৈ সম্বলপুৰৰ পৰা প্ৰতি সোমবাৰে সন্ধিয়া ৬-৫০ত যাত্ৰা আৰম্ভ কৰি বুধবাৰে মাজৰাতি ১-২০ত গুৱাহাটীত আহি উপস্থিত হ'ব। উভতনি যাত্ৰাত গুৱাহাটীৰ পৰা বুধবাৰে পুৱা ৮ বজাত যাত্ৰা আৰম্ভ কৰি শুকুৰবাৰে আবেলি ৪-১৫ত সম্বলপুৰত উপস্থিত হ'ব। একেদৰে কাটৰা আৰু গুৱাহাটীৰ মাজত চলিবলগীয়া ৰে'লখন ২৬ এপ্ৰিলৰ পৰা ২৮ জুনলৈ কাটৰাৰ পৰা শুকুৰবাৰে ৰাতি ৯-৩০ বজাত যাত্ৰা আৰম্ভ কৰি দেওবাৰে গধূলি ৭-১০ বজাত গুৱাহাটীত উপস্থিত হ'ব। একেদৰে বিপৰীত দিশত বিশেষ ৰে'লখন প্ৰতি সোমবাৰে নিশা ১১ বাজি ২০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বুধবাৰে সন্ধিয়া ৮-৪৫ত কাটৰাত উপস্থিত হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে  লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনকেইটাত অৰ্থাৎ অহা ২৬ এপ্ৰিল আৰু ৭ মে'ৰ দুপৰীয়া ১ বাজি ২০ মিনিট আৰু সন্ধিয়া ৭ বাজি ২০ মিনিটত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটি আমাৰ ইউটিউব চেনেল Air News Guwahati আৰু News on AIR এপতো শুনিবলৈ পোৱা যাব।

আনহাতে, নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত অহা ২৬ এপ্ৰিল, ৭, ১৩, ২০ আৰু ২৫ মে’ তথা ১ জুনৰ নিশা ৯ বাজি ২৫ মিনিটৰ আঞ্চলিক বাতৰি নিশা ৯ বাজি ১০ মিনিটত প্ৰচাৰ কৰা হ’ব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ’ব। বিয়লি চাৰে ৩ বজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হ’বলগীয়া প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইটৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। আনহাতে, সন্ধিয়া চাৰে ৭ বজাত ছণ্ডিগড়ত হ’বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ গুজৰাট টাইটানছৰ সন্মুখীন হ’ব।

প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছক ৬৭ ৰানত পৰাস্ত কৰে। দেলহি কেপিটেলছে ২৬৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ’ভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহি কেপিটেলছৰ হৈ জেক ফ্ৰেজৰ মেকগৰ্কে ১৮ টা বলত ৬৫ ৰান কৰে। হায়দৰাবাদৰ টি নটৰাজনে ৪টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৭ উইকেটৰ বিনিময়ত ২৬৬ ৰান কৰে। হায়দৰাবাদৰ হৈ অ’পেনাৰ ট্ৰেৱিছ হেড আৰু অভিষেক শৰ্মাই প্ৰথম ৬ অ’ভাৰত ১২৫ ৰান কৰি টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত পাৱাৰ প্লেত সৰ্বাধিক ৰান কৰাৰ অভিলেখ গঢ়ে। হেডে ৩২টা বলত ৮৯ ৰান কৰাৰ বিপৰীতে অভিষেক শৰ্মাই ১২টা বলত ৪৬ ৰানৰ বৰঙণি আগবঢ়ায়। ট্ৰেৱিছ হেডক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

কালিৰ খেলৰ ফলাফলৰ পাছত হায়দৰাবাদ সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আৰু দেলহি কেপিটেলছ ষষ্ঠ স্থানত আছে।

০০০০০০০

ভাৰতৰ ৱিনেশ ফোগাট, অংশু মালিক আৰু ৰীতিকা হুডাই কিৰ্গীস্তানৰ বিছকেকত অনুষ্ঠিত এছিয় অলিম্পিক কোৱালিফায়াৰ মল্লযুদ্ধ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি পেৰিছ অলিম্পিকত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। ফোগাটে কালি ৫০ কিলোগ্ৰাম ওজন শাখাৰ ছেমি ফাইনেলত কাজাখস্তানৰ লৌৰা গানিকীজিক ১০-০ ফলাফলত পৰাস্ত কৰে। একেদৰে অংশু মালিকে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ছেমি ফাইনেলত উজবেকিস্তানৰ লেলোখোন ছোবিৰ’ভাক ১১-০ ফলাফলত পৰাভূত কৰে। আনহাতে, ৰীতিকাই ৭৬ কিলোগ্ৰাম ওজন শাখাত চীনা টাইপেৰ হুই টি চাঙক ৭-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল সংক্ৰান্তীয় বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **দৈনিক অসম** কাকতে অসম মাধ্যমিক শিক্ষা পৰিষদ অৰ্থাৎ ছেৱাই অনুষ্ঠিত কৰা অন্তিমটো হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ দশমিক ৭ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সৰ্বকালৰ অভিলেখ ভংগ কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে ৫৯৩ সৰ্বোচ্চ নম্বৰেৰে শীৰ্ষত যোৰহাটৰ অনুৰাগ দলৈ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী শিক্ষানুষ্ঠানলৈ ঘূৰি আহিছে সুদিন ঃ কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ– এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক অগ্ৰদূত** কাকতে শীৰ্ষ তিনি স্থানত নাই গুৱাহাটী, কৃতি শিক্ষাৰ্থীকলৈ উল্লাস চাৰি জিলাত এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি শিলচৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ৰোড শ্বোৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ছমাহৰ ভিতৰত বাঙালী হিন্দু নাগৰিকত্ব ইচ্ছ্যুৰ সমাধন- এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দলগাঁৱত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীক আনন্দৰ উৎসৱত অঘটন ঃ পথতে বাগৰি পৰিল ব'লেৰো পিক আপ ভান, ৩০ ছাত্ৰী আহত এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Post-polling calculations on Campaining in full swing for Phase II এই বাতৰিক **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

Nearly 76 pc voter turnout in first phase LS polls in Assam এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - নিৰ্বাচনী সভাত মোদী-ৰাহুলৰ উত্তপ্ত বাক্য যুদ্ধ, ২০২৪ত ক্ষমতালৈ আহিলে ইলেক্টৰেল বণ্ড পুনৰ আনিব বিজেপিয়ে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত জিলা ভিত্তিত চিৰাঙৰ শীৰ্ষ স্থান, দ্বিতীয় আৰু তৃতীয় স্থানত ক্ৰমে নলবাৰী আৰু ডিমা হাচাও, নিৰ্বাচনী দায়িত্বৰ পৰা ওভতাৰ পথত নাওবৈচাত দুৰ্ঘটনাত অধ্যাপক ৰাজীৱ লেখাৰুৰ মৃত্যু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**